بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِهِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِهِ الۡمَسِیۡحِ الۡمَوۡعُوۡد

# খোতবা জুমা

**ছৈয়্যেদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছীহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ০৮ ডিচেম্বৰত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

মুছলিম বিশ্বলৈ আমি দোৱা কৰা উচিত যাতে এওঁলোকে একতাবদ্ধ হৈ যায়, আল্লাহ তায়লা এওঁলোকক বিবেক দান কৰক যাতে এওঁলোক সকলোৱে মিলি এটা কউম (জাতি) হিচাপে কাম কৰে, আৰু পাৰস্পৰিক দন্দ-বিবাদ নিষ্পত্তিও কৰে যাতে ইছলামৰ শত্ৰু সকলে লাভ আহৰণ কৰিব নোৱাৰে।
আমি আৰু দোৱা কৰা উচিত যাতে মুছলমান সকলে আল্লাহ তায়লাৰ প্ৰেৰিত মছিহ মাওউদ আৰু মাহদী মাওউদক চিনি পায়, যাৰ লগত মিলি জগতত শান্তি নিৰাপত্তা স্থাপনকাৰী হ'ব পাৰে।

তাছাহুদ তাওয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে তলত উল্লেখিত আয়াত পাঠ কৰে

زُیِّنَ لِلنَّاسِ حُبُّ الشَّھَوٰتِ مِنَ النِّسَآءِ وَالۡبَنِیۡنَ وَالۡقَنَاطِیۡرِ الۡمُقَنۡطَرَۃِ مِنَ الذَّھَبِ وَالۡفِضَّۃِ وَالۡخَیۡلِ الۡمُسَوَّمَۃِ وَالۡاَنۡعَامِ وَالۡحَرۡثِ ؕ ذٰلِکَ مَتَاعُ الۡحَیٰوۃِ الدُّنۡیَا ۚ وَاللّٰہُ عِنۡدَہٗ حُسۡنُ الۡمَاٰبِ ۔(آل عمران:15)

(আল ইমৰান ঃ ১৫)

**তৰজমাঃ-** হেঁপাহৰ বস্তুবিলাকৰ নিমিত্তে অনুৰাগ, যেনে স্ত্ৰী, আৰু সন্তান সন্ততি আৰু সাঁজি থোৱা সোন-ৰূপৰ দম আৰু চাপ দিয়া ঘোঁৰা আৰু ঘৰচীয়া পশুপাল আৰু খেতি পথাৰ মানুহৰ বাবে সুসজ্জিত কৰা হৈছে, এই সকলোবোৰ পাৰ্থিৱ জীৱনৰ সম্বল, আৰু আল্লাহৰ ওচৰতে উত্তম প্ৰত্যাৱৰ্ত্তনৰ ঠাই।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আল্লাহ তায়লা এয়া সেই লোক সকলৰ ছবি অঙ্কন কৰিছে যি সকলে খোদা তায়লাক পাহৰি যায় আৰু জগতৰ স্বাচ্ছন্দ অৰ্জন কৰাই সিঁহতৰ উদ্দেশ্য হৈ পৰে আৰু যেতিয়া মানুহে খোদা তায়লাক পাহৰি যায় তেতিয়া চয়তানে তাৰ ওপৰত আধিপত্য বিস্তাৰ কৰে। হজৰত মছিহ মাওউদ (আঃ) য়ে স্পষ্ট ভাৱে কৈছে যে পাৰ্থিৱ জগতৰ ব্যৱসায় বানিজ্য এৰি দিয়াটোও ভুল। বিয়াবাৰু কৰাৰো প্ৰয়োজন আছে। এয়া হ'ল চুন্নত। চাহাবা সকলেও কাম কাজ কৰিছিল। কিছুমান চাহাবাৰ কৌটি টকাৰ সা-সম্পত্তি আছিল। কিন্তু তেওঁলোকে জাগতিকতাৰ প্ৰেমী নাছিল।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; মনত ৰাখিবা, খোদা তায়লাৰ এয়া ইচ্ছা নহয় যে তোমালোক পাৰ্থিৱ কাম-কাজ সম্পূৰ্ণ ভাৱে ত্যাগ কৰি দিয়া বৰং ইচ্ছা কৰে যে قَدۡ اَفۡلَحَ مَنۡ زَکّٰىهَا অৰ্থাৎ যিজনে নিজৰ প্ৰবৃত্তিক পৱিত্ৰ কৰিছে, তেওঁ নিজৰ উদ্দেশ্য সফল কৰিব পাৰিছে। তেখেত (আঃ) য়ে কৈছে যে; ব্যাৱসায় কৰা, খেতিবাৰি কৰা, চাকৰি কৰা, যি মন যায় কৰা কিন্তু নিজৰ প্ৰবৃত্তিক খোদা তায়লাক অমান্য কৰাৰ পৰা দূৰত ৰাখিবা আৰু এনেকুৱা পৱিত্ৰতা অৱলম্বন কৰিবা যাতে এই বিষয় সমুহে তোমালোকক খোদা তায়লাৰ প্ৰতি অলস বনাই নিদিয়ে। এঠাইত তেখেত (আঃ) কৈছে যে; প্ৰবৃত্তিৰ অধিকাৰ প্ৰধান কৰা জায়েজ নহয়। গতিকে এজন মোমিনে সদায় মনত ৰাখিব লাগিব যে পাৰ্থিৱ স্বাৱলম্ভিতাৰ আকৰ্ষণ এনেকুৱা যাতে উদ্ৰেক নহয় যে খোদা তায়লাক পাহৰাই দিয়ে। যেনেকৈ আল্লাহ তায়লা কৈছে زُیِّنَ لِلنَّاسِ حُبُّ الشَّھَوٰتِ অৰ্থাৎ মানুহক দৈহিক তৃপ্তি আৰু স্বাচ্ছন্দৰ প্ৰতি অনুৰাগ অতি সুন্দৰ ভাৱে দেখুৱা হৈছে আৰু আগলৈ ইয়াৰ ব্যাখ্যা আগবঢ়োৱা হৈছে যে সেইবোৰ কোন কোন বস্তু। ইয়াত সেই মানুহ বিলাকৰো বিষয়ে

উল্লেখ আছে যি সকলে পাৰ্থিৱ জগতৰ প্ৰেমত ডুব গৈ আছে। ইয়াৰ ওপৰিও আল্লাহ তায়লা মুছলমান সকলক সুন্দৰ আৰু পবিত্ৰ শিক্ষা প্ৰদান কৰিছে আৰু সতৰ্ক কৰি দিছে যে এইবোৰ বস্তুৰ পৰা আতঁৰি থকা, অৰ্থাৎ এটা সীমাৰ ভিতৰত থকা, কেৱল এয়াই যেন জীৱনৰ উদ্দেশ্য নহয় কাৰণ এইবোৰ হ'ল জগতৰ অস্থায়ী বস্তু। নিজৰ চিন্তা কৰা যে তুমি খোদা তায়লাৰ ওচৰলৈ প্ৰত্যাবৰ্ত্তন কৰিব লাগিব। তথাপি মুছলমান সকলৰ বেছি ভাগেই পাৰ্থিৱ স্বাচ্ছন্দৰ পিছত লাগি থাকে আৰু নিজৰ জীৱনৰ আচল উদ্দেশ্য পাহৰি যায়। উলামা সকলেও, নেতা সকলেও আৰু প্ৰত্যেক সেই ব্যক্তিয়েই সুবিধা পালেই জাগতিক লাভালাভ অৰ্জনৰ চেষ্টা চলায়। যেতিয়া এনেকুৱা ধৰণৰ খোৱা-কামোৰা নেতা সকলৰ মাজত লাগি যায়, তেতিয়া দেশ আৰু জাতিৰ ক্ষতি সাধন হ'বলৈ আৰম্ভ হয়।

আজি কালি মুছলিম দেশবোৰত দন্দ-বিবাদ অশান্তিৰ যি অৱস্থা সেয়া আল্লাহ তায়লাৰ বাণী অনুযায়ী দ্বীনৰ পৰা আঁতৰি যোৱা সকলৰ দৰে একে অৱস্থা মুছলমান সকলৰ হৈছে। নেতা সকলে ধন অৰ্জনাৰ্থে জনসাধাৰণৰ সেৱা কৰাৰ নামত শাসনলৈ আহে আৰৌ দুহাতে লুটি-পুটি ধন আত্মসাৎ কৰে। উলামা সকলে ধৰ্মৰ উন্নতি কল্পে চিন্তা নকৰে। আচলতে এওঁলোকে ধৰ্মৰ নামত জনসাধাৰণক নিজৰ নিৰ্দেশত চলায় আৰু কেনেবাকৈ শাসন ভাৰ লব পাৰিলে ধন অৰ্জন কৰি সা-সম্পত্তি বনাই লয়। ইহঁতে আল্লাহ তায়লাৰ নাম লয় ঠিকেই কিন্তু আল্লাহ তায়লাৰ ভয় সিহঁতৰ কাৰ্য্যৰ দ্বাৰা প্ৰকাশ নাপায়। পাকিস্থানত আমি দেখিবলৈ পাওঁ মুছলমান নেতা সকলে জনগনক গাজৰ-মূলাৰ দৰে হত্যা কৰি আছে। মানৱ প্ৰাণৰ কোনো মূল্য নাই কিন্তু শাসনৰ গদিনেৰে। কেইবাখন দেশতেই এনে অৱস্থা চলি আছে। কোনো পদেই সিহঁতৰ পেট ভৰা নাই। মুছলমান দেশবোৰত প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্যতা থকা সত্বেও দিনে-দিনে দুখীয়া হৈ যাব ধৰিছে। চৌদি আৰবক ধবনী দেশ বুলি কোৱা হয় কিন্তু তাতেও দুখীয়াৰ সংখ্যা বাঢ়ি গৈ আছে। তাত তেল সম্পদ থকা সত্বেও অভাৱ বাঢ়ি গৈ আছে। কেৱল নেতা আৰু ৰাজপুত্ৰ সকলৰ অৱস্থা ভাল। এই লোকসকলে অবৈধ ভাৱে ধন অৰ্জন কৰে, দুখীয়াৰ অধীকাৰ হৰণ কৰি ধন কাঢ়ি লয় আৰৌ অবৈধ পদ্ধতিৰে খৰচও কৰে। আল্লাহ তায়লা এই চৰকাৰী বিষয়াবৰ্গ আৰু ৰজা আৰু লাভ আহৰণ কাৰী সকলক বিবেক দান কৰক। যাতে তেওঁলোকে ধন অৰ্জনৰ লগতে তাৰ সজ ব্যাৱহাৰ কৰোঁতা হয়। ইয়াৰ দ্বাৰা আল্লাহ তায়লাৰ সন্তুষ্টি অৰ্জন কাৰী হওঁক আৰু জাগতিক পৰ্যায়ত সিঁহতৰ শক্তি আহৰণ হওঁক। অমুছলিম শক্তি সমুহে সিঁহতক পিছে চলোৱাৰ সলনি, ৰঙা চকু দেখুৱাৰ সলনি সিঁহতৰ কথাত সৈমান হওঁক।

আজি কালি বৰ চৰ্চা হৈ আছে যে আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে নিজৰ দুতাবাস জেৰুজালেমলৈ স্থানান্তৰিত কৰিবলৈ কৈছে আৰু ইয়াকে ৰাজধানী হিচাপে মানি লবলৈ ঘোষণা কৰিছে। দৰাচলতে প্ৰথমৰে পৰাই তাত ইছ্ৰাইলৰ সকলো অফিচ আদালত তাত আছে কিন্তু বাহিৰা দেশবোৰে সেয়া মানি লোৱা নাছিল। এতিয়া এয়া ঘোষণা কৰাৰ পিছত বৰ্হিদেশ সমুহে সমালোচনা কৰি আছে, চৰকাৰেও বিৰুধীতা কৰি আছে। কিন্তু এইবোৰ ঘটিছে একমাত্ৰ মুছলমান সকলৰ দুৰ্বলতাৰ কাৰণে। আমেৰিকান ৰাষ্ট্ৰপতিয়ে বিচাৰে যে যাতে মুছলমান সকলৰ মাজত শান্তি প্ৰতিষ্ঠিত নহয় আৰু যি ইচ্ছা তাকে কৰিব পৰা যায়। চৌদী আৰবে ঘোষণা কৰি আছে যে আমেৰিকান ৰাষ্ট্ৰপতিৰ এই সিদ্ধান্ত গ্ৰহন যোগ্য নহয়। অথচ কেইদিন মান আগত সকলো কথাতে আমেৰিকাৰ সৈতে একমত আছিল। ইৰানৰ বিৰুদ্ধে কৰা ঘোষনাত সৰ্মথক জনাইছিল। কিন্তু এতিয়া তাক বাদা দিয়া উচিত যে মুছলমানৰ বিৰুদ্ধে ডাঙৰ শক্তি বিলাকে কোনো ধৰণৰ কাৰ্য্য কৰা আমি সহ্য নকৰো। কিন্তু সেয়া নকৰি ডাঙৰ শক্তি সমুহৰ পৰা লাভ আহৰণৰ ভাবে আমেৰিকাৰ লগত মত মিলাই চলিব ধৰিছে। জাগতিক অস্থায়ীলাভৰ বাবে আল্লাহ তায়লাৰ আদেশৰ পৰা আঁতৰি পৰিছে। গতিকে আল্লাহ তায়লাৰ আদেশ অমান্য কৰাৰ যি ফল সেয়া ওলাই পৰিব ধৰিছে। হজৰত মছিহ মাওউদ (আঃ) য়ে এই লোক সকলৰ উদাহৰণ, যি কেৱল জগতৰ মোহত আবদ্ধ আৰু জাগতিক ইচ্ছা পূৰণত ব্যাস্ত, খজুৰতি বেমাৰীৰ সৈতে দিছে, যাৰ শৰীৰত খজুৱালে তৃপ্তি অনুভৱ হয় আৰু খুজুৱাই খুজুৱাই শৰীৰত জখম বনাই দিয়ে।

এই বিষয়টো আল্লাহ তায়লা আন এঠাইত এনেদৰে বৰ্ণনা কৰিছে যে

اِعْلَمُوْٓا اَنَّمَا الْحَيٰوةُ الدُّنْيَا لَعِبٌ وَّلَهْوٌ وَّزِيْنَةٌ وَّتَفَاخُرٌۢ بَيْنَكُمْ وَتَكَاثُرٌ فِي الْاَمْوَالِ وَالْاَوْلَادِ ؕ

كَمَثَلِ غَيْثٍ اَعْجَبَ الْكُفَّارَ نَبَاتُهُ ثُمَّ يَهِيْجُ فَتَرٰىهُ مُصْفَرًّا ثُمَّ يَكُوْنُ حُطَامًا ۖ وَفِي

الْاٰخِرَةِ عَذَابٌ شَدِيْدٌ ۙ وَّمَغْفِرَةٌ مِّنَ اللّٰهِ وَرِضْوَانٌ ۚ وَمَا الْحَيٰوةُ الدُّنْيَآ اِلَّا مَتَاعُ الْغُرُوْرِ

(ছুৰা আলহাদিদ ঃ আয়াত ঃ ২১) অৰ্থাৎ জানি লোৱা যে এই পৃথিবীৰ জীৱনটো হৈছে মাত্ৰ এটা আমোদ-প্ৰমোদ আৰু খেল-ধেমালীৰ কৌতুক আৰু এটা অলঙ্কাৰ আৰু তোমালোকৰ মাজত গৰ্ব কৰা আৰু ধন-সম্পত্তি আৰু লৰা ছোৱালী বৃদ্ধি কৰা প্ৰতিযোগীতাৰ মাধ্যম মাথোন। ই বৰষুণৰ দৰে, যাৰ ফলত গছ-গছনিৰ উৎপন্ন হয়, খেতিয়ক সকলে আনন্দিত হয়। তাৰ পিছত এই বিলাক শুকাই যায় আৰু তোমালোকে ইয়াক হালধীয়া ৰং লোৱা দেখিবলৈ পোৱা তাৰ পিছত এইবিলাক অসাৰ একনৰাত পৰিণত হয়। আৰু পৰকালত অসৎ সকলৰ বাবে আছে কঠোৰ শাস্তি আৰু লগতে আল্লাহৰ ক্ষমা, আৰু সেইজনাৰ সন্তষ সৎকৰ্মী সকলৰ প্ৰতি। আৰু এই পাৰ্থিৱ জীৱনটো কিছুমান প্ৰৱঞ্চনামুলক বস্তুৰ খন্তেকীয়া উপভোগৰ বাহিৰে আন একোৱেই নহয়। গতিকে এজন মোমিনৰ কাম হ'ল জাগতিক বস্তু-বাহিনীৰ গৌৰৱ কৰা আৰু আৰু সেইবোৰ অৰ্জন কৰিবলৈ চেষ্টা কৰা বাদ দি আল্লাহ তায়লাৰ ক্ষমা আৰু সন্তুষ্টি বিচৰা উচিত। খুজুৰতী বেমাৰীৰ দৰে হৈ নিজৰ জীৱণ আৰু পৰিনাম নষ্ট কৰা উচিত নহয়।

এই পাৰ্থিৱ জীৱনৰ সকলো স্বাচ্ছন্দ সম্পৰ্ক হজৰত মছিহে মাওউদ (আঃ) য়ে কৈছে যে মানুহ যিমানে চেষ্টা-প্ৰচেষ্টাত লাগি থাকে সিমানে তাৰ সাফল্য অৰ্জন হয়। উল্লেখ কৰে যে চেষ্টাত লাগি থকা জনৰ বকুত থাকে সাফল্যৰ অদম্য আশা আৰু তেওঁ সমস্যাত জৰ্জৰিত থাকে। এই পাৰ্থিৱ জীৱনত যদি কোনো চেষ্টা প্ৰচেষ্টাৰ প্ৰয়োজন নাই তেন্তে সেয়া বৰ আৰামৰ জীৱন। তেখেত (আঃ) য়ে কৈছে যে এজন ব্যক্তি ঘোঁৰাত উঠি আহি আছিল, এনেতে বাটত এজন ভিক্ষাৰী বহি থকা দেখিছিল যাৰ পিন্ধনত আছিল মাত্ৰ কাছটি। অশ্বাৰোহী জনে ফকিৰ জনক সুধিলে জনাব কি খবৰ কেনে আছে ? ফকিৰ জনে উত্তৰ দিয়ে যে যাৰ সকলো উদ্দেশ্য পূৰ্ণ হৈ গৈছে তাৰ অৱস্থা কেনেকুৱা হ'ব পাৰে। অশ্বাৰোহীজনে আচৰিত হৈ সুধিলে যে তোমাৰ সকলো উদ্দেশ্য কেনেকৈ পূৰ্ণ হ'ল ? ফকিৰ জনে উত্তৰত কলে যে যেতিয়া সকলো আশা, উদ্দেশ্য ত্যাগ কৰি দিয়া হয় তেতিয়া সকলো পূৰ্ণ হৈ যোৱাই যেন হয়। তেখেত (আঃ) কৈছে এয়া অৰ্জন কৰা শব্দটো হ'ল যে যেতিয়া সকলো লাভ বিচৰা হয় তেতিয়া কষ্ট হয়। কিন্তু যেতিয়া আনন্দেৰে সকলো এৰি দিয়া হয় তেতিয়া সেয়া লাভ কৰা যেন লাগে। এয়াই হ'ল মুক্তি য'ত তৃপ্তি আছে, দুখ, বেজাৰ নাই। দুখময় জীৱন নে ইহঁজগতত ভাল না পৰকালৰ বাবে ভাল। তেখেত (আঃ) য়ে কৈছে যে এই জীৱণ এদিন শেষ হৈ যাব কাৰণ এয়া হ'ল বৰফৰ টুকুৰাৰ দৰে। ইয়াক যিমানেই বাকচৰ ভিতৰত নৰখা কিয়, ই গলি গৈ পানীত পৰিণত হ'ব। গতিকে এই ডেকা বয়স এটা গনিমত স্বৰূপ ভাৱি লোৱা। অতীতৰ সুখৰ কথা ভাবিলে দুখ উপজে। মাজে সময়ে মানুহ যি দুখ কষ্টৰ হাত সাৰিব বিচাৰে, আকৌ তাতেই গৈ জাবুৰি খাই পৰে। তাতে আকৌ সন্তান ঠিক নহলে মনত আৰু দুখ উপজে। তেতিয়া ভাৱে যে বহুত ভুল কৰি পেলাইছো আৰু জীৱণটোৱে পাৰ হৈ গ'ল। তেতিয়া অনুসুচনা উপজে যে আল্লাহ তায়লাৰ নিৰ্দেশৰ ওপৰত চলাই ভাল আছিল। তাৰে অনুযায়ী জীৱণ যাপন কৰা উচিত আছিল। কিন্তু ইয়াৰ সলনি মানুহ দুনীয়াদাৰীত সোমাই আল্লাহ তায়লাক পাহৰি যায়।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এজন মোমিনৰ কাম হ'ল জগতৰ চিন্তা এৰি নিজৰ আখেৰাত সুন্দৰ কৰিবলৈ আৰু খোদা তায়লাৰ প্ৰেমাস্পদ হোৱাৰ চিন্তা কৰা উচিত। ইয়াতহে আনন্দ লাভ হয়। পাৰ্থিব বস্তু-বাহিনী আল্লাহ তায়লাৰ প্ৰদত্ত নিয়ামত বুলি ব্যাৱহাৰ কৰিব লাগিব কিন্তু এইবোৰক উপাস্য বনাই লব নালাগে। আল্লাহ তায়লা হ'ল প্ৰকৃত উপাস্য। আল্লাহ তায়লাৰ ভাল পোৱাই তাকওয়াৰ জন্ম দিয়ে। আল্লাহ তায়লাক সকলোতকৈ বেছি ভালপোৱা হ'ল প্ৰকৃত মোমিনৰ চিহ্ন। গতিকে আল্লাহ তায়লা কৈছে যে وَالَّذِيْنَ اٰمَنُوْٓا اَشَدُّ حُبًّا لِّلّٰهِ আৰু যি সকল লোক মোমিন, তেওঁলোকে আল্লাহ তায়লাক সকলোতকৈ বেছি ভাল পায়। আল্লাহ তায়লা আমাৰ মাজত এইবোৰ আনন্দৰ জন্ম দিয়ক, তাকওয়াৰ সৃষ্টি কৰক।

খোতবাৰ শেষ ভাগত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; মই এই দোৱাৰ প্ৰতি মনযোগ আকৰ্ষণ কৰিব বিচাৰো

যেনেকৈ আগতে মই চমুকৈ উল্লেখ কৰিছো যে মুছলিম দেশবোৰৰ নেতা, যি সকলে পাৰ্থিৱ লোভত পৰি আছে, যি সকলে খোদা তায়লাক এৰি ডাঙৰ শক্তি বিলাকক নিজৰ খোদা বনাই লৈছে আৰু ভাৱে যে সিঁহতৰ লগত বন্ধুত্ব কৰিলে আমাৰ নিৰাপত্তা আৰু উন্নতিৰ জামিন হ'ব। দৰাচলতে আজি পৃথিৱীয়ে ওৱাশ্বিংটনক যি মডেল বুলি ভাবি আছে সম্ভৱত সেই মৰ্যদা ইয়াৰ নাই কাৰণ বৰ্তমানে চীনৰ বেইজিংয়ে মডেল স্থান দখল কৰিছে। আমেৰিকাই নিজৰ গৌৰৱ হেৰাই পেলাইছে। গতিকে পাৰ্থিৱ নাম-ধাম আজি আছে কালি নাথাকিবও পাৰে। মুছলমান সকলে সেয়া বুজি পোৱা উচিত। জেৰুজালেমত যি দুতাবাস স্থানান্তৰিত কৰাৰ ঘোষণা কৰিছে তাৰ উদ্দেশ্য হ'ল যাতে ইছৰাইলৰ সৈতে সুসম্পৰ্ক গঢ়ি উঠে। কিন্তু আল্লাহ তায়লাৰ ফালৰ পৰা যেতিয়া পতন নামি আহে তেতিয়া জাগতিক বন্ধুত্বই কোনো কাম নিদিয়ে। অনুমান হয় যে আমেৰিকাৰ পতন অনিবাৰ্য্য উপস্থিত হ'বলৈ লৈছে সেয়া আল্লাহ তায়লা ভালদৰে জানে। কিন্তু মুছলমান সকলক পৰস্পৰ বিবাদত লিপ্ত কৰাৰ চেষ্টায় এই অৱস্থাক দ্রুত আগবঢ়াই লৈ গৈ আছে। সেই বাবে আমি মুছলিম বিশ্বৰ বাবে দোৱা কৰা উচিত যে আল্লাহ তায়লা সিহঁতক প্ৰজ্ঞা দান কৰক। সিহঁতে যেন একতাৰ জৰীত বান্দ খায় আৰু দেশে, দেশৰ মাজত বিবাদ সংগঠিত হোৱাৰ শংকা দুৰ হয়। মুছলিম দেশ বোৰৰ ভিতৰীয়া যি বিবাদ চলি আছে, লাখ-লাখ প্ৰাণ বিনষ্ট হৈ আছে সেয়া যেন অন্ত পৰে। আল্লাহ তায়লা সিহঁতক বিবেক দান কৰক যাতে সিহঁতে এটা কউম হিচাপে থাকিব পাৰে। আমি আৰু দোৱা কৰা উচিত যাতে মুছলমান সকলে আল্লাহ তায়লাৰ প্ৰেৰিত মছিহ মাওউদ আৰু মাহদী মাওউদ (আঃ) ক চিনিব পাৰে আৰু একেলগে মিলি পৃথিৱীত শান্তি প্ৰতিষ্ঠা কৰিব পাৰে।

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 8 December 2017**

**BOOK POST (PRINTED MATTER)**

**To**

------------------------------------------------------------------------------------------

------------------------------------------------------------------------------------------

------------------------------------------------------------------------------------------

------------------------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**